285884

Test Booklet Code
পৰীক্ষা পুস্তিকা সংকেত

**D**

# ASSAMESE

**APR-6-25**

This Test Booklet contains **32** pages. এই পুস্তিকাত **32** টা পৃষ্ঠা আছে।
Do not open this Test Booklet until you are asked to do so.
নোকোৱালৈকে এই পৰীক্ষা পুস্তিকাখন নুখুলিব।
Read carefully the instructions on the Back Cover of this Test Booklet.
এই পৰীক্ষা পুস্তিকাৰ পিছফালে দিয়া নিৰ্দেশসমূহ সাৱধানতা সহকাৰে পঢ়ি ল'বা।

Name of the Candidate (in CAPITALS) :
পৰীক্ষাৰ্থীৰ নাম (বৰ ফলাত) : ____________________

Roll Number : : in figures
ৰোল নং : সংখ্যাত ____________________
: in words
: শব্দত ____________________

Centre of Examination (in CAPITALS) :
পৰীক্ষাকেন্দ্ৰ (বৰ ফলাত) : ____________________

Candidate's Signature :
পৰীক্ষাৰ্থীৰ হস্তাক্ষৰ : ____________________

Invigilator's Signature :
নিৰীক্ষকৰ হস্তাক্ষৰ : ____________________

Facsimile signature stamp of
Centre Superintendent : ____________________

**In case of any ambiguity in translation of any question, English version shall be treated as final.**
**কোনো প্ৰশ্নৰ অনুবাদৰ অনিশ্চয়তাৰ ক্ষেত্ৰত, ইংৰাজী ভাষাৰ প্ৰশ্নকে অন্তিম বুলি গণ্য কৰা হ'ব।**

## INSTRUCTIONS / নিৰ্দেশনা

1. This Test Booklet contains **FOUR** sections. Section "A" **Language** contains **25** questions of **2** marks each. Section "B" **Mathematics** contains **50** questions of **3** marks each. Section "C" **Intelligence** and Section "D" **General Knowledge** contain **25** questions each of **2** marks each. In all, the Question paper consists of **125** questions for a total of **300** marks. Answer all questions.
   এই প্ৰশ্নকাকতৰ পুস্তিকা চাৰিটা শাখাত দিয়া হৈছে। **"A"** শাখাৰ **ভাষাত** প্ৰত্যেকটোৰ বাবে **2** নম্বৰকৈ দিয়া **25**টা প্ৰশ্ন আছে। **"B"** শাখাৰ গণিত প্ৰত্যেকটোত **3** নম্বৰকৈ **50**টা প্ৰশ্ন আছে। **"C"** শাখাৰ **বুদ্ধিমত্তাৰ** আৰু **"D"** শাখাৰ **সাধাৰণ জ্ঞানত** প্ৰতিটোতে **2** নম্বৰকৈ দিয়া **25**টাকৈ প্ৰশ্ন আছে। এই সকলোবোৰ **125**টা প্ৰশ্নৰ বাবে সৰ্বমুঠ **300** নম্বৰ দিয়া আছে। সকলো প্ৰশ্নৰ উত্তৰ দিয়া।
2. Duration of the test is 2 hours and 30 minutes. (150 minutes)
   এই পৰীক্ষা 2 ঘণ্টা 30 মিনিটৰ। (150 মিনিট)।
3. Candidates are required to choose any of the following **13** languages : Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malyalam, Marathi, Odiya, Punjabi, Tamil, Telugu or Urdu, while applying.
   প্ৰাৰ্থীয়ে 13টা ভাষাৰ ভিতৰত যিকোনো এটা নিৰ্বাচন কৰি লব পাৰিব ঃ অসমীয়া, বঙালী, ইংৰাজী, গুজৰাটী, হিন্দী, কানাড়া, মালায়ালাম, মাৰাঠী, উৰিয়া, পাঞ্জাবী, তামিল, তেলেগু, উৰ্দু, আবেদন কৰাৰ সময়ত যি ভাষাক নিৰ্বাচন কৰিছিল।
4. Test Booklet for those who opted for English or Hindi will be bilingual (i.e. in English and in Hindi), except the language part.
   ভাষাৰ অংশটোৰ বাহিৰে, প্ৰশ্ন কাকতৰ পুস্তিকা যিয়ে ইংৰাজী বা হিন্দীত কৰিবলৈ সিদ্ধান্ত লব, সেইখন দ্বিভাষী (Bilingual) হব (i.e. ইংৰাজী আৰু হিন্দী)।
5. Test Booklet for those who opted for any of the specified languages, will be bilingual, in the language opted by the candidate and in English.
   যিসকল প্ৰাৰ্থীয়ে কোনো নিৰ্দিষ্ট আঞ্চলিক ভাষাত কৰাৰ বিকল্প গ্ৰহণ কৰিব, তেওঁলোকৰ বাবে প্ৰশ্ন কাকত পুস্তিকাখন দ্বিভাষী হ'ব, প্ৰাৰ্থীগৰাকীৰ দ্বাৰা বাছনি কৰা ভাষা আৰু ইংৰাজীত।
6. Questions in **Section "A"** are specific to each language. They vary from language to language. They are to be attempted in the language opted by you in your application form and indicated on your Admit Card. They will be evaluated with reference to the answer key of the specific language opted by you.
   শাখা **"A"** ত দিয়া প্ৰশ্নবোৰ প্ৰতিটো ভাষাৰ বাবে নিৰ্দিষ্ট। সেইবোৰ ভাষা অনুযায়ী সলনি হয়। সেইবোৰ আপুনি আবেদন প্ৰপত্ৰত বাছনি কৰা তথা আপোনাৰ প্ৰৱেশ পত্ৰত উল্লেখ থকা ভাষাত চেষ্টা কৰিব লাগিব। আপুনি বাছনি কৰা নিৰ্দিষ্ট ভাষাটোৰ উত্তৰবোৰৰ সন্দৰ্ভত মূল্যাংকিত কৰা হ'ব।

SE



[Instructions continued on Page No. 32]

1356021

*নির্দেশনা ঃ প্ৰত্যেক প্ৰশ্নৰ চাৰিটা বিকল্প আছে। প্ৰত্যেক প্ৰশ্নৰ কেৱল এটাহে শুদ্ধ উত্তৰ হয়। OMR উত্তৰ বহীৰ ক'লা সংযুক্ত বন্ধনীৰ পৰা সকলোতকৈ উপযুক্ত বিকল্প বাছি উলিওৱা।*

**শাখা — "A" : ভাষা**

001. "মই যোৱাবছৰ দিল্লীলৈ গৈছিলোঁ"— এই বাক্যটো হৈছে—
 (1) ভৱিষ্যৎ কালৰ বাক্য
 (2) অতীত কালৰ বাক্য
 (3) বৰ্তমান কালৰ বাক্য
 (4) ভূত কালৰ বাক্য

002. 'বনমালা' শব্দটোৰ একেধৰণৰ উচ্চাৰণৰ শব্দটো বাছি উলিওৱাঁ।
 (1) মালাধাৰ
 (2) মালিনী
 (3) বননি
 (4) গুণমালা

003. "তুমি কেতিয়া ঘৰলৈ যাবা?" —এই বাক্যটোৰ আঁচটনা শব্দটো তলৰ কোনবিধ সৰ্বনামৰ ভিতৰত পৰে?
 (1) বিশেষণ সৰ্বনাম
 (2) স্থানবাচক সৰ্বনাম
 (3) কালবাচক সৰ্বনাম
 (4) ব্যক্তিবাচক সৰ্বনাম

004. "নম্ৰতা এটা উত্তম গুণ" —এই বাক্যটোৰ আঁচটনা শব্দটো হ'ল—
 (1) গুণবাচক বিশেষ্য
 (2) প্ৰাণীবাচক বিশেষ্য
 (3) বস্তুবাচক বিশেষ্য
 (4) ক্ৰিয়াবাচক বিশেষ্য

005. "তই" শব্দটোৰ বহুবচন হ'ল—
 (1) ইহঁত
 (2) তোমালোক
 (3) তেওঁলোক
 (4) তহঁত

006. তলৰ বাক্যটোৰ আঁচটনা শব্দটো কি পদ?
"মই আপেল খাই ভাল পাওঁ।"
 (1) বিশেষ্য
 (2) বিশেষণ
 (3) সৰ্বনাম
 (4) ক্ৰিয়া

007. উপযুক্ত প্ৰশ্নবোধক শব্দৰে খালী ঠাই পূৰ কৰাঁ।
তোমাৰ ঘৰ ———?
 (1) কোন
 (2) ক'ত
 (3) কিয়
 (4) কেতিয়া

008. "কিতাপখন মেজৰ ——— আছে"। তলত দিয়া শব্দকেইটাৰ মাজৰপৰা উপযুক্ত শব্দৰে এই বাক্যটোৰ খালী ঠাই পূৰ কৰাঁ।
 (1) ভিতৰত
 (2) ওপৰত
 (3) লৈ
 (4) পৰা

009. 'ঐৰাৱত' মানে কি?
 (1) স্বৰ্গ
 (2) বাঘ
 (3) সিংহ
 (4) হাতী

010. "তেও আৰু মই একেলগে চিনেমা চাবলৈ যাম" — এই বাক্যটোত আঁচ টনা শব্দটো হৈছে—
 (1) বিশেষ্য
 (2) বিশেষণ
 (3) অব্যয়
 (4) সৰ্বনাম

1356021

011. ‘কোমল’ শব্দৰ বিপৰীত অৰ্থ বুজোৱা শব্দটো হৈছে—

(1) গোটা

(2) কঠিন

(3) জুলীয়া

(4) গহীন

012. তলত দিয়া শব্দবোৰ কোনটো ক্ৰমত সজালে এটা শুদ্ধ আৰু অৰ্থবহ বাক্য পোৱা যাব?

(A) ভাত

(B) বিদ্যালয়লৈ

(C) খাই

(D) যাম

(E) মই

(1) E, D, C, B, A

(2) D, E, B, C, A

(3) E, A, C, B, D

(4) E, C, D, A, B

013. “মোৰ পেহাই ভাল গান গায়” — এই বাক্যটোৰ আঁচটনা শব্দটোৰ বিপৰীত লিঙ্গ হৈছে—

(1) বাইদেৱে (2) মাহীয়ে

(3) পেহীয়ে (4) ভিনিহিয়ে

014. ‘চৰাই’ শব্দটোৰ বহুবচনৰ ৰূপটো হ’ল—

(1) চৰাইসকল (2) চৰাইহঁত

(3) চৰাইপাল (4) চৰাইজাক

015. “চকুত লগা” — এই খণ্ডবাক্যটোৰ অৰ্থ হৈছে—

(1) চকুত কুটা সোমোৱা

(2) চকু বিষোৱা

(3) ধুনীয়া

(4) কুৎচিৎ

016. “দেউতাই মোক লাহে লাহে ভাত খাবলৈ কয়”— এইবাক্যটোৰ আঁচটনা অংশটো হৈছে—

(1) বিশেষ্যৰ বিশেষণ

(2) ক্ৰিয়া বিশেষণ

(3) বিশেষণীয় বিশেষণ

(4) গুণবাচক বিশেষ্য

017. শুদ্ধ বানানটো বাছি উলিওৱাঁ।

(1) উভনদী (2) উভৈনদী

(3) উভৈনদ (4) উভনদ

018. “সি ভাত খাই খেলিবলৈ যাব”— এইবাক্যটোৰ আঁচটনা শব্দটো হৈছে—

(1) অনিয়মিত ক্ৰিয়া

(2) সমাপিকা ক্ৰিয়া

(3) অসমাপিকা ক্ৰিয়া

(4) অকৰ্মক ক্ৰিয়া

019. “গাইজনীয়ে ঘাঁহ খাই আছে” —এইবাক্যটোৰ আঁচটনা শব্দটোৰ লিঙ্গ পৰিবৰ্তন কৰাঁ।

(1) গাইটোৱে

(2) চেউৰীজনীয়ে

(3) গৰুজনীয়ে

(4) গৰুটোৱে

020. ‘মানুহ’ শব্দটোৰ সমাৰ্থক শব্দ হৈছে—

(1) মানৱ

(2) দানৱ

(3) ৰাঘৱ

(4) দেৱজ

তলত দিয়া দফাটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

এখন দেশত লটকন নামেৰে এটা বৰ দুখীয়া বামুণ আছিল। বামুণৰ ঘৈণীয়েকজনী বৰ মুখ চোকা আছিল। গিৰিয়েকে টকা-কড়ি ঘটি আনিব নোৱাৰে দেখি তাই সদায় গিৰিয়েকক দপালি থাকে। ঘৈণীয়েকৰ দপালনি খাই খাই এদিন বামুণৰ মনত বৰকৈ বেজাৰ লাগি পুৰাই ঘৰৰ পৰা গুচি গ'ল।

বামুণ যাওঁতে যাওঁতে বেলি দুপৰ হ'ল। তেতিয়ালৈকে তাৰ পেটত খুদকণ এটিও পৰা নাই। ভোকে পিয়াহে বামুণক জৰ্জৰিত কৰিলে। এনেতে আলিৰ কাষতে বামুণে এখন মিঠৈৰ দোকান দেখি ওচৰ চাপি গ'ল। দুপৰীয়া মিঠৈৰ দোকানৰ গৰাকীয়ে খাই-বৈ উঠি তাৰ আঠ বছৰীয়া পুতেকক দোকানৰখীয়া পাতি সিটো কোঠালিত অলপ শুইছিল। বামুণ দোকানৰ ওচৰত থিয় হ'লতে ল'ৰাটোৱে সুধিলে "তোমাক কি লাগে? তোমাৰ নাম কি?" বামুণে উত্তৰ দিলে, "মই মিঠৈ খাবলৈ আহিছোঁ, মোৰ নাম মাখি।" এইবুলি বামুণে টপ্‌কৰে মিঠৈ মুখত সুমুৱাবলৈ ধৰিলে। বামুণৰ কাম দেখি ল'ৰাটোৱে বাপেকক চিঞৰি চিঞৰি মাত লগালে, "মাখিয়ে মিঠৈ খালে ঐ পিতাই, মাখিয়ে মিঠৈ খালে।" বাপেকৰ চিলমিলকৈ টোপনি আহিছিল। বাপেকে আমনি পাই উত্তৰ দিলে, "মাখিয়ে মিঠৈ খাইছে যদি খাওঁক, তই মোক দিগদাৰি কৰি নাথাকিবি।" এই কথা শুনি বামুণে লাহেকৈ ল'ৰাটোক ক'লে, "শুনিলি এতিয়া, তোৰ বাপেৰে মোক মিঠৈ খাবলৈ কৈছে।" এইবুলি বামুণে মিঠৈবোৰ খাই আধ্যা কৰিলে। ল'ৰাটোৱে দেখি সহিব নোৱাৰি আকৌ ৰিঙিয়াই বাপেকক মাতিলে "পিতাই মাখিয়ে মিঠৈবোৰ খাই আধ্যা কৰিলে।" এইবাৰ বাপেকে ভেঁকাহি মাৰি ক'লে, "আধ্যা কৰিলে যদি কৰক তই কেপ্‌কেপাই নাথাকিবি।" ল'ৰাটোৱে বাপেকক কথাটো ভালকৈ বুজাই ক'বলৈ ভিতৰলৈ উঠি গ'ল আৰু সেই সুৰুঙাতে বামুণে মিঠৈ দোকানীৰ হাতনিপেৰাটো তাতে পৰি থকা দেখি তাৰ পৰা দুকুৰি ৰূপ উলিয়াই লৈ পলালে। বাপেকক জগাই মাখিয়ে মিঠৈ খোৱা কথাটো ভাঙি ক'লত বাপেকে বাহিৰলৈ ওলাই আহি দেখিলে যে তাৰ মিঠৈ এটাইবোৰ খালে। সি তেতিয়া ল'ৰাটোক খং কৰিলত ল'ৰাটোৱে ক'লে, "মই দেখোন তোমাক গুৰিৰেপৰা কৈয়েই আছিলোঁ মাখিয়ে মিঠৈ খাইছে বুলি, তুমিয়ে ক'লা খাওঁক।" বাপেকে ক'লে, "তই কৈছিলি মাখিয়ে খাইছে বুলি, মানুহে খাইছে বুলি ন'কলি কিয়?" পুতেকে উত্তৰ দিলে, "সি মোক তাৰ নাম মাখি বুলি কৈছিল।" বাপেকে কোনফালে মানুহটো পলাই গ'ল পুতেকক সুধি লৈ তাৰ ঘোঁৰাটোত লৰালৰিকৈ উঠি সেইফালেই খেদি গ'ল।

021. বামুণে মিঠৈ-দোকানীৰ পেৰাৰ পৰা কিমান ৰূপ (টকা) উলিয়াই লৈ পলাইছিল?

(1) দুশ (2) দহ

(3) চল্লিশ (4) একুৰি

022. মিঠৈ-দোকানীয়ে মিঠৈ খাই, ৰূপ সৰকাই পলোৱা বামুণক কেনেকৈ খেদি গৈছিল?

(1) ঘোঁৰাত উঠি

(2) চাইকেলত উঠি

(3) পিছে পিছে দৌৰি

(4) হাতত এডাল টোকোন লৈ

023. মিঠৈ দোকানীজনৰ পুতেকৰ বয়স কিমান আছিল?

(1) সাত বছৰ (2) আঠ বছৰ

(3) দহ বছৰ (4) বাৰ বছৰ

024. দুখীয়া বামুণজনৰ ঘৈণীয়েকে কিয় সদায়ে গিৰিয়েকক গালি পাৰি থাকিছিল?

(1) গিৰিয়েকে বেছিকৈ মিঠৈ খোৱাৰ অভ্যাসৰ কাৰণে

(2) মিঠৈত পৰা মাখিবোৰ খেদাব নোৱাৰাৰ কাৰণে

(3) দোকানত কাম কৰিব নোৱাৰাৰ কাৰণে

(4) টক-পইছা উপাৰ্জন কৰিব নোৱাৰাৰ কাৰণে

025. লটকন কোন?

(1) এজন মিঠৈ দোকানী

(2) এগৰাকী মুখচোকা স্বভাৱৰ তিৰোতা

(3) এটা সৰু ল'ৰা

(4) এজন দুখীয়া বামুণ

1356021

*নিৰ্দেশনা ঃ প্ৰত্যেক প্ৰশ্নৰ চাৰিটা বিকল্প আছে। প্ৰত্যেক প্ৰশ্নৰ কেৱল এটাহে শুদ্ধ উত্তৰ হয়। OMR উত্তৰ বহীৰ ক'লা সংযুক্ত বন্ধনীৰ পৰা সকলোতকৈ উপযুক্ত বিকল্প বাছি উলিওৱা।*

**শাখা — "B" : অংকশাস্ত্ৰ**

026. বৰ্গক্ষেত্ৰ ও আয়তক্ষেত্ৰ এটাৰ কালি সমান সমান। যদি বৰ্গটোৰ বাহু দৈৰ্ঘ 30 ছে.মি. আৰু আয়তটোৰ প্ৰস্থ 25 ছে.মি. হয়, আয়তক্ষেত্ৰটোৰ দৈৰ্ঘ কিমান?

(1) 38 ছে.মি. (2) 40 ছে.মি.

(3) 36 ছে.মি. (4) 42 ছে.মি.

027. দোকানী এজনে ₹15,600 আৰু ₹14,400 দামত দুটা ম'বাইল ফোন ক্ৰয় কৰিলে। পাছত তেওঁ ফোন দুটা ₹ 31,200 দামত বিক্ৰি কৰিলে। তেওঁৰ লোকচান বা লাভৰ শতাংশ হ'ল ঃ

(1) 6% লাভ

(2) 4% লাভ

(3) 4% লোকচান

(4) 8% লোকচান

028. কাৰখানা এটাই প্ৰস্তুত কৰা বৈদ্যুতিক বাল্বৰ প্ৰতি 15 টা ভিতৰত 2 টা বাল্ব বেয়া ওলায়। যদি কাৰখানাটোৱে প্ৰতিদিনে 630 টা বাল্ব তৈয়াৰ কৰে, তেন্তে প্ৰত্যেক দিনে প্ৰস্তুত হোৱা বেয়া বাল্বৰ সংখ্যা হ'ব—

(1) 90 (2) 42

(3) 84 (4) 45

029. তলত দিয়া চিত্ৰটোত (x + y) ৰ মান কি?




(1) 163° (2) 105°

(3) 138° (4) 117°

*Instructions : Each question has four options. There is only one correct option in each question. Choose the correct/most appropriate option and darken the corresponding circle with blue/black on the OMR Answer Sheet.*

**SECTION "B" : MATHEMATICS**

026. The areas of a square and a rectangle are equal. If the side of the square is 30 cm and the breadth of the rectangle is 25 cm, then the length of the rectangle is :

(1) 38 cm (2) 40 cm

(3) 36 cm (4) 42 cm

027. A shopkeeper bought two mobile phones for ₹ 15,600 and ₹ 14,400 respectively and sold them for a total of ₹ 31,200. His loss or gain percentage is :

(1) gain of 6%

(2) gain of 4%

(3) loss of 4%

(4) loss of 8%

028. A factory produces electric bulbs and 2 out of every 15 bulbs are defective. If the factory produces 630 bulbs per day, then the number of defective bulbs produced per day is :

(1) 90 (2) 42

(3) 84 (4) 45

029. The value of (x + y) in the following figure is :




(1) 163° (2) 105°

(3) 138° (4) 117°

030. তলত দিয়া বিবৃতি দুটা পঢ়ি শুদ্ধ বিকল্পটো বাছি উলিওৱা ঃ

বিবৃতি-I ঃ বৰ্গক্ষেত্ৰ এটাৰ কৰ্ণৰ দৈৰ্ঘ সমান আৰু সিহঁত পৰস্পৰৰ লম্ব।

বিবৃতি-II ঃ ৰম্বাছ এটাৰ কৰ্ণৰ দৈৰ্ঘ সমান আৰু সিহঁত পৰস্পৰৰ লম্ব।

(1) একমাত্ৰ বিবৃতি-I শুদ্ধ

(2) একমাত্ৰ বিবৃতি-II শুদ্ধ

(3) দুয়োটা বিবৃতিয়ে শুদ্ধ

(4) দুয়োটা বিবৃতিয়ে ভুল

031. যদি a = 5 আৰু b = 15, তেন্তে $\left(\frac{a}{b}+1\right)\frac{b}{a}+(b-a)=?$ সমীকৰণটোত (?) চিহ্নৰ ঠাইত কি হ'ব?

(1) 24 (2) 12

(3) 18 (4) 14

032. এগৰাকী মহিলাই 5কি.গ্ৰা. 640 গ্ৰাম আলু, 3 কি.গ্ৰা. 37 গ্ৰাম পিয়াঁজ আৰু 6 কি.গ্ৰা. 8 গ্ৰাম বিলাহী কিনিলে। তেওঁ দেখিলে যে তাৰে 2 কি.গ্ৰা. 45 গ্ৰাম বিলাহী বেয়া হৈ গৈছে। সেইখিনি তেওঁ বেপাৰীক ঘূৰাই দিলে। তেওঁ ঘৰলৈ লৈ যোৱা পাচলিখিনিৰ ওজন হ'ল—

(1) 13.460 কি.গ্ৰা.

(2) 12.973 কি.গ্ৰা.

(3) 13.360 কি.গ্ৰা.

(4) 12.640 কি.গ্ৰা.

033. 35 টা খামৰ দাম 87.50 টকা। 730 টকাত কিমানটা তেনে খাম কিনিব পৰা যাব?

(1) 126 (2) 252

(3) 312 (4) 292

030. Read the given statements and choose the correct option :

Statement-I : The diagonals of a square are equal in length and are perpendicular to each other.

Statement-II : The diagonals of a rhombus are equal in length and are perpendicular to each other.

(1) Only statement-I is true

(2) Only statement-II is true

(3) Both the statements are true

(4) Both the statements are false

031. If a = 5 and b = 15, then the value of $\left(\frac{a}{b}+1\right)\frac{b}{a}+(b-a)$ is :

(1) 24 (2) 12

(3) 18 (4) 14

032. A woman bought 5 kg 640 gm potatoes, 3 kg 37 gm onions and 6 kg 8 gm tomatoes. She found 2 kg 45 gm tomatoes rotten and returned these to the vegetable vendor. The weight of the vegetables she took home is :

(1) 13.460 kg

(2) 12.973 kg

(3) 13.360 kg

(4) 12.640 kg

033. 35 envelopes cost ₹ 87.50. How many such envelopes can we buy for ₹ 730 ?

(1) 126 (2) 252

(3) 312 (4) 292

034. 179.08 আৰু 20.17 ৰ যোগফলৰ সৈতে কি যোগ কৰিলে 512 পোৱা যাব?

(1) 711.25 (2) 313.25

(3) 312.75 (4) 321.75

034. What should be added to the sum of 179.08 and 20.17 to get 512 ?

(1) 711.25 (2) 313.25

(3) 312.75 (4) 321.75

035. কোনো এটা সংখ্যাৰ 48% যদি 120 হয়, তেন্তে সেই সংখ্যাটোৰ 170% কিমান হ'ব?

(1) 400 (2) 425

(3) 385 (4) 475

035. If 48% of a number is 120, then what is 170% of the number ?

(1) 400 (2) 425

(3) 385 (4) 475

036. আয়তাকাৰ মাটি এটুকুৰাৰ দীঘ আৰু পুতল হ'ল ক্ৰমে 700m আৰু 500m। যদি মাটিটুকুৰাক তাঁৰেৰে 4 বাৰ ঘেৰ দিবলগীয়া হয়, তেন্তে কিমান দীঘল তাঁৰৰ প্ৰয়োজন হ'ব?

(1) 7200 মি. (2) 4800 মি.

(3) 9600 মি. (4) 8600 মি.

036. A rectangular piece of land measures 700 m by 500 m. It is to be fenced with 4 rounds of wire. The length of the wire needed is :

(1) 7200 m (2) 4800 m

(3) 9600 m (4) 8600 m

037. 15, 12, 17, (x+5), (x–1) আৰু 22 ৰ গড় হ'ল 15, ইয়াত x ৰ মান হ'ব—

(1) 20 (2) 12

(3) 8 (4) 10

037. The average of 15, 12, 17, (x+5), (x-1) and 22 is 15. The value of x is :

(1) 20 (2) 12

(3) 8 (4) 10

038. বৃত্ত এটাৰ তিনিডাল ব্যাসেৰে বৃত্তটোক ছটা সমানভাগত বিভক্ত কৰা হ'ল। প্ৰতিটো ভাগত দুডাল ওচৰাওচৰি ব্যাসাৰ্ধৰ দ্বাৰা গঠন কৰা কোনটো হ'ব—

(1) 90°

(2) 45°

(3) 60°

(4) 30°

038. Six sectors of equal area are formed by the three diameters in a circle. The measure of an angle formed by two adjacent radii in each sector is :

(1) 90°

(2) 45°

(3) 60°

(4) 30°

1356021

039. তলত দিয়া ভগ্নাংশবোৰক উৰ্ধক্ৰমত সজোৱাঁ।

$\frac{2}{3}, \frac{1}{6}, \frac{5}{9}$ আৰু $\frac{7}{12}$

(1) $\frac{5}{9}, \frac{1}{6}, \frac{7}{12}, \frac{2}{3}$

(2) $\frac{5}{9}, \frac{2}{3}, \frac{1}{6}, \frac{7}{12}$

(3) $\frac{1}{6}, \frac{5}{9}, \frac{2}{3}, \frac{7}{12}$

(4) $\frac{1}{6}, \frac{5}{9}, \frac{7}{12}, \frac{2}{3}$

040. কোঠা এটাৰ দৈৰ্ঘ্য, প্ৰস্থ আৰু উচ্চতা হ'ল ক্ৰমে 1050 ছে.মি., 750 ছে.মি. আৰু 425 ছে.মি.। এই তিনিওটা দৈৰ্ঘ্য জুখিব পৰা টে'পডালৰ সৰ্বোচ্চ দীঘ কিমান হ'ব লাগিব?

(1) 125 ছে.মি. (2) 150 ছে.মি.

(3) 25 ছে.মি. (4) 50 ছে.মি.

041. তলত দিয়া কোনটো বিবৃতি শুদ্ধ?

(A) সংখ্যা এটা যদি 4 ৰে বিভাজ্য হয়, তেন্তে ই 8 ৰেও বিভাজ্য হ'ব

(B) সংখ্যা এটা যদি 3 আৰু 5 উভয়ৰে বিভাজ্য হয়, তেন্তে ই 15 ৰেও বিভাজ্য হ'ব

(C) সংখ্যা এটা যদি 2 আৰু 8 উভয়ৰে বিভাজ্য হয়, তেন্তে ই 16 ৰেও বিভাজ্য হ'ব

(D) দুটা ক্ৰমিক অযুগ্ম সংখ্যাৰ যোগফল সদায় 4 'ৰে বিভাজ্য হ'ব

(1) কেৱল (A), (B) আৰু (D)

(2) কেৱল (B) আৰু (C)

(3) কেৱল (B) আৰু (D)

(4) কেৱল (B), (C) আৰু (D)

039. Arrange the following fractions in ascending order :

$\frac{2}{3}, \frac{1}{6}, \frac{5}{9}$ *and* $\frac{7}{12}$

(1) $\frac{5}{9}, \frac{1}{6}, \frac{7}{12}, \frac{2}{3}$

(2) $\frac{5}{9}, \frac{2}{3}, \frac{1}{6}, \frac{7}{12}$

(3) $\frac{1}{6}, \frac{5}{9}, \frac{2}{3}, \frac{7}{12}$

(4) $\frac{1}{6}, \frac{5}{9}, \frac{7}{12}, \frac{2}{3}$

040. The length, breadth and height of a room are 1050 cm, 750 cm and 425 cm, respectively. The length of the longest tape which can measure the three dimensions of the room exactly is :

(1) 125 cm (2) 150 cm

(3) 25 cm (4) 50 cm

041. Which of the following statements are correct ?

(A) If a number is divisible by 4, it must be divisible by 8.

(B) If a number is divisible by 3 and 5, then it is divisible by 15 also.

(C) A number which is divisible by 2 and 8 is divisible by 16 also.

(D) The sum of two consecutive odd numbers is always divisible by 4.

(1) Only (A), (B), and (D)

(2) Only (B) and (C)

(3) Only (B) and (D)

(4) Only (B), (C) and (D)

042. A য়ে বছৰি 4% সাধাৰণ সুতত 3 বছৰৰ বাবে ₹ 3500, B য়ে বছৰি 5% সাধাৰণ সুতৰ হাৰত 2 বছৰৰ বাবে ₹ 4200 আৰু C য়ে বছৰি 5% সাধাৰণ সুতৰ হাৰত 3 বছৰৰ বাবে ₹ 2800 ধাৰ ল'লে। তলৰ কোনটো বিবৃতি সত্য?

(1) একমাত্ৰ A আৰু B ৰ প্ৰত্যেকেই ₹ 420 সাধাৰণ সুত দিয়ে

(2) A, B আৰু C তিনিওৰে প্ৰত্যেকেই ₹ 420 সাধাৰণ সুত দিয়ে

(3) একমাত্ৰ B আৰু C ৰ প্ৰত্যেকেই ₹ 840 সাধাৰণ সুত দিয়ে

(4) একমাত্ৰ A আৰু C ৰ প্ৰত্যেকেই ₹ 420 সাধাৰণ সুত দিয়ে

043. 4 ছে.মি. বাহুদৈৰ্ঘৰ তিনিটা গোটা ঘনক লগলগাই এটা গোটা আয়তঘনক তৈয়াৰ কৰা হ'ল। এনেকৈ তৈয়াৰ কৰা আয়ত-ঘনকটোৰ আয়তন হ'ল—

(1) 192 ঘন ছে.মি. (2) 64 ঘন ছে.মি.

(3) 128 ঘন ছে.মি. (4) 256 ঘন ছে.মি.

044. তলত দুটা বিবৃতি ঃ নিশ্চয়োক্তি (A) আৰু কাৰণ (R) দিয়া হৈছে। বিবৃতি দুটা সাৱধানে পঢ়ি উল্লেখ কৰা বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

**নিশ্চয়োক্তি (A) :** 41 হ'ল এটা মৌলিক সংখ্যা।

**কাৰণ (R) :** ইয়াৰ মাত্ৰ দুটা উৎপাদক আছে। এটা হ'ল-1 আৰু আনটো ই নিজেই।

(1) (A) আৰু (R) উভয়ে শুদ্ধ আৰু (R) হ'ল (A)ৰ শুদ্ধ ব্যাখ্যা।

(2) (A) আৰু (R) উভয়ে শুদ্ধ কিন্তু (R) কাৰণটো (A) ৰ শুদ্ধ ব্যাখ্যা নহয়।

(3) (A) শুদ্ধ কিন্তু (R) শুদ্ধ নহয়।

(4) (A) শুদ্ধ নহয় কিন্তু (R) শুদ্ধ।

042. A borrowed ₹ 3500 for 3 years at the rate of 4% p.a., B borrowed ₹ 4200 for 2 years at the rate of 5% p.a. and C borrowed ₹ 2800 for 3 years at the rate of 5% p.a. on simple interest. Which of the following statements is true ?

(1) Only A and B have to pay ₹ 420 each as simple interest

(2) A, B and C all have to pay ₹ 420 each as simple interest

(3) Only B and C have to pay ₹ 840 each as simple interest

(4) Only A and C have to pay ₹ 420 each as simple interest

043. A solid cuboid is formed by joining three solid cubes of side 4 cm each. The volume of the cuboid so formed is :

(1) 192 $cm^3$ (2) 64 $cm^3$

(3) 128 $cm^3$ (4) 256 $cm^3$

044. In the given question two statements Assertion (A) and Reason (R) are given. Read them carefully and choose the correct option from the given options.

**Assertion (A) :** 41 is a prime number.

**Reason (R) :** It has only two factors-number 1 and the number itself.

(1) Both (A) and (R) are correct and (R) is the correct explanation of (A)

(2) Both (A) and (R) are correct but (R) is not the correct explanation of (A)

(3) (A) is correct but (R) is not correct

(4) (A) is not correct but (R) is correct

045. তলত দিয়া আকৃতিটোৰ পৰিসীমা হ'ল—




(1) 54 ছে.মি.

(2) 45 ছে.মি.

(3) 30 ছে.মি.

(4) 36 ছে.মি.

046. তলত দিয়া কোনবোৰ বিবৃতি সত্য নহয়?

(A) দুটা সূক্ষ্মকোণ সদায় সম্পূৰক

(B) দুটি স্থূলকোণ সদায় সম্পূৰক

(C) দুটা সমান কোণ, যি দুটাৰ প্ৰত্যেকেই সমকোণ এটাৰ আধা, তেনে কোণ সম্পূৰক হয়

(D) এটা সূক্ষ্মকোণ আৰু এটা স্থূলকোণ সদায় পূৰক

(1) একমাত্ৰ (A) আৰু (C)

(2) একমাত্ৰ (B), (C) আৰু (D)

(3) একমাত্ৰ (C) আৰু (D)

(4) একমাত্ৰ (A), (B) আৰু (D)

047. তলত দিয়া সমীকৰণটোত * ৰ মান কি?

3958 – * 7 * = 3 * 8 *

(1) 6

(2) 5

(3) 4

(4) 3

045. The perimeter of the following figure is :




(1) 54 cm

(2) 45 cm

(3) 30 cm

(4) 36 cm

046. Which of the following statements are not true ?

(A) Two acute angles are always supplementary.

(B) Two obtuse angles are always supplementary.

(C) Two equal angles which are twice of the half of a right angle are supplementary.

(D) An acute and an obtuse angles are always complementary.

Choose the correct answer from the options given below :

(1) (A) and (C) only

(2) (B), (C) and (D) only

(3) (C) and (D) only

(4) (A), (B) and (D) only

047. The value of * in the following is :

3958 – * 7 * = 3 * 8 *

(1) 6

(2) 5

(3) 4

(4) 3

1356021

048. তলত দিয়া সংখ্যাকেইটাৰ আটাইতকৈ সৰু কোনটো সংখ্যাক 25, 40 আৰু 60 প্ৰত্যেকৰে হৰণ কৰাৰ পাছত প্ৰতি ক্ষেত্ৰতে 9 বাকী থাকে?

(1) 619 (2) 609

(3) 591 (4) 509

049. তলত দিয়া বিবৃতি দুটা পঢ়ি শুদ্ধ বিকল্পটো বাছি উলিওৱা ঃ

বিবৃতি-I ঃ বৃত্তৰ ছেকেন্ট বা ছেদক হ'ল বৃত্তটোৰ ওপৰত দুই প্ৰান্তবিন্দু থকা ৰেখাখণ্ড এটা

বিবৃতি-II ঃ বৃত্তৰ জ্যা হ'ল বৃত্তটোৰ কেন্দ্ৰৰ মাজেৰে যোৱা আৰু বৃত্তটোক দুটা বিন্দুত স্পৰ্শ কৰা এডাল ৰেখা

(1) একমাত্ৰ বিবৃতি-I সত্য

(2) একমাত্ৰ বিবৃতি-II সত্য

(3) দুয়োটা বিবৃতিয়ে সত্য

(4) দুয়োটা বিবৃতিয়ে অসত্য

050. যদি 100 গ্ৰাম কফিৰ দাম ₹ 24 হয় আৰু এক কি.গ্ৰা. চাহপাতৰ দাম ₹180 হয়, তেন্তে কফি আৰু চাহপাতৰ দামৰ অনুপাত হ'ব—

(1) 2 : 15 (2) 4 : 5

(3) 4 : 3 (4) 3 : 4

051. অনিলে 2/3 ঘণ্টা, ৰামে 3/4 ঘণ্টা, চেতনে 1/5 ঘণ্টা আৰু ধৰ্মই 5/6 ঘণ্টা ব্যায়াম কৰে। কোনে আটাইতকৈ বেছি সময় ব্যায়াম কৰে?

(1) চেতনে

(2) ধৰ্মই

(3) অনিলে

(4) ৰামে

048. The least number which when divided by 25, 40 and 60 leaves 9 as the remainder in each case is :

(1) 619 (2) 609

(3) 591 (4) 509

049. Read the given statements and choose the correct option :

Statement-I : A secant of a circle is a line segment having its end points on the circle.

Statement-II : A chord is a line passing through the centre of a circle and intersecting the circle at two points.

(1) Only statement-I is true

(2) Only statement-II is true

(3) Both the statements are true

(4) Both the statements are false

050. The ratio of price of coffee to that of tea when coffee costs ₹ 24 per 100 gm and tea costs ₹ 180 per kg is :

(1) 2 : 15 (2) 4 : 5

(3) 4 : 3 (4) 3 : 4

051. Anil exercised for 2/3 hour, Ram exercised for 3/4 hour, Chetan exercised for 1/5 hour and Dharm exercised for 5/6 hour. Who exercised for maximum time ?

(1) Chetan

(2) Dharm

(3) Anil

(4) Ram

052. 6 ছে.মি. বহুদৈৰ্ঘৰ ধাতুৰ গোটা ঘনক এটা গলাই 9 ছে.মি. দৈৰ্ঘ আৰু 8 ছে.মি. প্ৰস্থৰ আয়ত-ঘনক এটা প্ৰস্তুত কৰা হ'ল। আয়ত ঘনকটোৰ উচ্চতা হ'ব—

(1) 6 ছে.মি. (2) 3 ছে.মি.
(3) 4 ছে.মি. (4) 2 ছে.মি.

053. তলত দিয়া সংখ্যাবোৰৰ ভিতৰত মুঠ কিমানটা 5 অঙ্কবিশিষ্ট সংখ্যা আছে?

(1) 89,000 (2) 89,9999
(3) 90,000 (4) 89,900

054. ৰোমান পদ্ধতিত লিখা LXXIX - XXXIX সংখ্যাটো কি?

(1) XXIX (2) CIX
(3) XC (4) XL

055. গাড়ী এখনে 65 Km/hr. দ্ৰুতিৰে গতি কৰি আছে। একেটা দ্ৰুতিৰে গ'লে ই 180 মিনিটত কিমান দূৰত্ব অতিক্ৰম কৰিব?

(1) 117 কি.মি.
(2) 195 কি.মি.
(3) 245 কি.মি.
(4) 180 কি.মি.

056. ৰোমান সংখ্যাত তলত দিয়া কোনটো 446 সংখ্যাৰ শুদ্ধ প্ৰতিনিধি?

(1) DCXLVI (2) CDXLVI
(3) CCXLVI (4) CLXXVI

057. সুনীতাই কিতাপ এখনৰ $\frac{5}{7}$ অংশ 5 ঘণ্টাত পঢ়ি শেষ কৰে। তেওঁ 2 ঘণ্টাত কিতাপখনৰ কিমান অংশ পঢ়ি শেষ কৰিব পাৰিব?

(1) $\frac{1}{7}$ (2) $\frac{3}{7}$
(3) $\frac{2}{7}$ (4) $\frac{4}{7}$

052. A solid metallic cuboid of length 9 cm and width 8 cm is formed by melting a solid metallic cube of side 6 cm. The height of the cuboid is :

(1) 6 cm (2) 3 cm
(3) 4 cm (4) 2 cm

053. Total how many 5 digit numbers are there ?

(1) 89,000 (2) 89,9999
(3) 90,000 (4) 89,900

054. A number written in Roman Numerals LXXIX - XXXIX is equal to :

(1) XXIX (2) CIX
(3) XC (4) XL

055. A car runs with a speed of 65 Km/hr. How far will it travel in 180 minutes with the same speed ?

(1) 117 km
(2) 195 km
(3) 245 km
(4) 180 km

056. Which of the following is the correct representation of 446 in Roman Numerals ?

(1) DCXLVI (2) CDXLVI
(3) CCXLVI (4) CLXXVI

057. Sunita reads $\frac{5}{7}$ part of a book in 5 hours. The part of the book she will read in 2 hours is :

(1) $\frac{1}{7}$ (2) $\frac{3}{7}$
(3) $\frac{2}{7}$ (4) $\frac{4}{7}$

1356021

058. $32 + 16 \div 4 - 2 \times 3$ ৰ মান হ'ব—

(1) 26 (2) 30

(3) 6 (4) 20

059. $\frac{2}{5}$ আৰু $\frac{7}{8}$ ৰ যোগফলৰ দশমিক ৰূপটো হ'ব—

(1) 1.275 (2) 1.875

(3) 0.875 (4) 2.175

060. এখন পঢ়াশালিৰ বাবে 50খন চকী আৰু 30খন ব্লেকবৰ্ড কিনা হৈছে। যদি প্ৰতিখন চকীৰ দাম ₹ 1065 আৰু প্ৰতিখন ব্লেকবৰ্ডৰ দাম ₹ 1645 হয়, তেন্তে আটাইখিনি চকী আৰু ব্লেকবৰ্ডৰ মুঠ দাম হ'ব—

(1) ₹ 1,02,500

(2) ₹ 92,600

(3) ₹ 1,02,600

(4) ₹ 1,20,600

061. $3-\frac{4}{5}+(?)-\frac{7}{15}=2\frac{2}{5}$ ওপৰোক্ত সমীকৰণটোত ( ?) ৰ মান কি?

(1) $\frac{1}{4}$ (2) $\frac{1}{3}$

(3) $\frac{2}{3}$ (4) $\frac{3}{4}$

062. ত্ৰিভুজ এটাৰ এটা কোণ হ'ল সমকোণৰ আধা আৰু আনটো কোণ হ'ল সমকোণ এটাৰ $\frac{1}{3}$ অংশতকৈ 15° বেছি। ত্ৰিভুজটোৰ বাহু আৰু কোণৰ ভিত্তিত তাৰ নামটো ঠিৰাং কৰি দিয়াঁ।

(1) বিষমবাহু সূক্ষ্মকোণী ত্ৰিভুজ

(2) বিষমবাহু সমকোণী ত্ৰিভুজ

(3) সমদ্বিবাহু সমকোণী ত্ৰিভুজ

(4) সমদ্বিবাহু স্থূলকোণী ত্ৰিভুজ

058. The value of $32 + 16 \div 4 - 2 \times 3$ is :

(1) 26 (2) 30

(3) 6 (4) 20

059. The decimal form of the sum of $\frac{2}{5}$ and $\frac{7}{8}$ is :

(1) 1.275 (2) 1.875

(3) 0.875 (4) 2.175

060. 50 chairs and 30 blackboards were purchased for a school. If each chair costs ₹ 1065 and each blackboard costs ₹ 1645, then the total amount of the bill is :

(1) ₹ 1,02,500

(2) ₹ 92,600

(3) ₹ 1,02,600

(4) ₹ 1,20,600

061. The value of '?' in $3-\frac{4}{5}+(?)-\frac{7}{15}=2\frac{2}{5}$ is :

(1) $\frac{1}{4}$ (2) $\frac{1}{3}$

(3) $\frac{2}{3}$ (4) $\frac{3}{4}$

062. One angle of a triangle is half of a right angle and another angle is 15° more than $\frac{1}{3}rd$ of a right angle. Name the triangle based on its sides and angles :

(1) Scalene acute angled triangle

(2) Scalene right angled triangle

(3) Isosceles right angled triangle

(4) Isosceles obtuse angled triangle

063. মোৰ মাৰ শৈশৱকালত হেনো প্ৰতিলিটাৰ ÎÂQ̀1 ðÂ Ö±ẩÂ ₹ 15। আজি প্ৰতিলিটাৰ পেট্ৰলৰ দাম হ'লগৈ ₹ 72। আগৰ তুলনাত বৰ্তমান পেট্ৰলৰ দাম কিমান শতাংশ বৃদ্ধি পাইছে?

(1) 400%
(2) 380%
(3) 360%
(4) 250%

064. বস্তু এটা ₹ 5840 বেচাত 20% লোকচান হ'ল। বস্তুটোৰ কিনা দাম আছিল ঃ

(1) ₹ 4672
(2) ₹ 4582
(3) ₹ 7500
(4) ₹ 7300

065. এটা সম্পূৰ্ণ কোণ আৰু সমকোণৰ আধাৰ 5 গুণৰ পাৰ্থক্যৰ কোণটোক কি বুলি কয়?

(1) সূক্ষ্ম কোণ
(2) স্থূল কোণ
(3) সৰল কোণ
(4) স্বতুল্য কোণ

066. 15 মি. 8 ছে.মি. দৈৰ্ঘৰ দণ্ড এডালক 4টা সমান খণ্ডত ভাগ কৰা হ'ল। প্ৰতিটো খণ্ডৰ দৈৰ্ঘ হ'ল ঃ

(1) 3.77m
(2) 3.95m
(3) 3.88m
(4) 3.65m

067. ? চিহ্নৰ ঠাইত কি বহিব?

0.009 + 9.09 + 0.9009 – 0.09 = ?

(1) 9.9089 (2) 9.8909
(3) 9.9099 (4) 9.9009

063. My mother says that in her childhood the price of petrol was ₹ 15 per litre. It is ₹ 72 per litre today. By what percentage the price of petrol has gone up ?

(1) 400%
(2) 380%
(3) 360%
(4) 250%

064. An item was sold at ₹ 5840 at a loss of 20%. The cost price of the item was:

(1) ₹ 4672
(2) ₹ 4582
(3) ₹ 7500
(4) ₹ 7300

065. Name the type of an angle whose the measure is the difference of complete angle and the angle which is 5 times of half of a right angle :

(1) Acute angle
(2) Obtuse angle
(3) Straight angle
(4) Reflex angle

066. A rod of length 15 metre 8 cm is divided into 4 equal parts. The length of each part of the rod is :

(1) 3.77m
(2) 3.95m
(3) 3.88m
(4) 3.65m

067. 0.009 + 9.09 + 0.9009 – 0.09 = ?

(1) 9.9089 (2) 9.8909
(3) 9.9099 (4) 9.9009

068. ৰেলগাড়ী এখনে 120 km/hr দ্ৰুতিত এক নিৰ্দিষ্ট দূৰত্ব 40 মিনিটত অতিক্ৰম কৰে। যদি ৰেলগাড়ীখনৰ দ্ৰুতি 150 km/hr লৈ বৃদ্ধি কৰা হয়, তেন্তে একেটা দূৰত্ব অতিক্ৰম কৰিবলৈ ই পূৰ্বতকৈ কিমান কম সময় ল'ব ?

(1) 5 মিনিট

(2) 10 মিনিট

(3) 16 মিনিট

(4) 8 মিনিট

069. এবিধ তৰলক 50° F (ফাৰেণহাইট) উষ্ণতালৈ গৰম কৰা হ'ল আৰু আন এবিধ তৰলৰ উষ্ণতা 25°C (ছেলছিয়াছ) লৈ বৃদ্ধি কৰা হ'ল। ডিগ্ৰী ছেলছিয়াছ এককত তৰল দুবিধৰ উষ্ণতাৰ পাৰ্থক্য হ'ল ঃ

(1) 12°C (2) 15°C

(3) 10°C (4) 8°C

070. সমকোণ এটাৰ এক-পঞ্চমাংসৰ দুগুণৰ পূৰক কোণৰ সম্পূৰক কোণটো হ'ল—

(1) 144° (2) 126°

(3) 124° (4) 132°

071. অনিতাই কিছু ধন বছৰি 5% সাধাৰণ সুতৰ হাৰত 4 বছৰৰ বাবে বিনিয়োগ কৰি সাধাৰণ সুত হিচাপে ₹ 850 লাভ কৰিলে। সুনিতাই কিছু ধন বছৰি 4% সাধাৰণ সুতত 6 বছৰৰ বাবে বিনিয়োগ কৰি ₹ 840 সাধাৰণ সুত পালে। তেওঁলোক দুয়ো বিনিয়োগ কৰা ধনৰ পাৰ্থক্য হ'ল ঃ

1) ₹ 1690

(2) ₹ 1250

(3) ₹ 750

(4) ₹ 520

068. A train covered a certain distance with a speed of 120 km/hr in 40 minutes. If the speed of the train is increased to 150 km/hr, then how much less time it will take to cover the same distance ?

(1) 5 minutes

(2) 10 minutes

(3) 16 minutes

(4) 8 minutes

069. A liquid is heated to a temperature of 50° F (Fahrenheit) and the temperature of another liquid was raised to 25°C (Celcius). The difference in temperature of the two liquids in degree celcius is :

(1) 12°C (2) 15°C

(3) 10°C (4) 8°C

